**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

----------------------

১। ৰাজ্য চৰকাৰৰ তৃতীয় পৰ্যায়ৰ বাল্য বিবাহ বিৰোধী অভিযান আৰম্ভ। এদিনতে ৪১৬ জনক গ্ৰেপ্তাৰ, ৩৩৫টা গোচৰ ৰুজু।

২। **বিকাশৰ ১২ দিন** কাৰ্যসূচীৰ অধীনত লখিমপুৰ আৰু ওদালগুৰি জিলাত আজি চৰকাৰৰ বিভিন্ন আঁচনিৰ ৰূপায়ণ।

৩। নতুন বিধানসভা সমষ্টিৰ ভিত্তিত ৰাজ্যৰ ১৬ খন জিলাৰ ৫ লক্ষাধিক হিতাধিকাৰীক আজি ৰেচন কাৰ্ড প্ৰদান।

৪। বাংলাদেশৰ সৈতে সীমা সমস্যা নিষ্পত্তি হোৱাৰ পাছত উত্তৰ-পূৰ্বাঞ্চলক বিশ্বৰ সৈতে সংযোগ কৰাৰ লক্ষ্যত অতি সোনকালে উপনীত হোৱাটো সম্ভৱ হ'ব বুলি গৃহমন্ত্ৰী অমিত শ্বাহৰ মন্তব্য। ***আৰু***

৫। কুৱালালামপুৰত ১৯ বছৰ অনুৰ্ধৰ মহিলা টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত, বাংলাদেশৰ মুখামুখি।

oooooo

ৰাজ্য চৰকাৰে বাল্য বিবাহৰ বিৰুদ্ধে তৃতীয় পৰ্যায়ৰ অভিযান আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত যোৱা নিশা এই অভিযান আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। এই সন্দৰ্ভত ৩৩৫টা গোচৰ ৰুজু হোৱাৰ লগতে ৪১৬ জনক গ্ৰেপ্তাৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। গ্ৰেপ্তাৰ কৰা লোকসকলক আজি আদালতত হাজিৰ কৰোৱা হ'ব। বাল্য বিবাহৰ দৰে সামাজিক ব্যাধিক দূৰ কৰাৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

oooooo

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি লখিমৰপুৰ আৰু ওদালগুৰি জিলাত ছাত্ৰ-ছাত্ৰী আৰু হিতাধিকাৰীৰ মাজত বিভিন্ন আঁচনিৰ অধীনত বঁটা প্ৰদান কৰাৰ লগতে আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। এই কাৰ্যসূচীৰ অধীনত লখিমপুৰ জিলাত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰা হ'ব। এই উপলক্ষে চাকুলিভৰীয়াৰ লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ খেলপথাৰৰ সমীপত আয়োজিত এখন ৰাজহুৱা সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ২৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ফটাসুঁতিঘাটৰ ৰঙানদীৰ পকী দলং উদ্বোধন কৰিব। একেদৰে আজাদত ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ হোৱা চৰকাৰী আইন মহাবিদ্যালয়ৰ ভৱনটোও মুখ্যমন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰিব। আনহাতে তেওঁ ১০ কোটি টকা ব্যয় সাপেক্ষে লখিমপুৰৰ চৰকাৰী নাৰ্ছিং মহাবিদ্যালয়ৰ শৈক্ষিক ভৱন আৰু হোষ্টেলৰ আধাৰশিলা স্থাপন কৰাৰ লগতে বগীনদীত প্ৰেক্ষাগৃহসহ এটা অতিথিশালাৰ ভূমি পূজনত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে ২২ হাজাৰ ৬৩৬টা বানত ক্ষতিগ্ৰস্ত পৰিয়াললৈ আৰ্থিক সাহায্য প্ৰদান আৰু অসম ৰাজ্যিক গ্ৰামীন

জীৱিকা অভিযানৰ অধীনত ৩৫৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যক এক কোটি টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব।

ইফালে ওদালগুৰি জিলাত জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকা উপস্থিত থাকিব। এই সভাত ৯৪৩ গৰাকী ছাত্ৰ-ছাত্ৰীক ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটি প্ৰদান কৰা হ'ব। ৬ হাজাৰ ৫৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীক মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চাইকেল প্ৰদান কৰাৰ লগতে ৪০৪ গৰাকী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰা হ'ব।

০০০০০০

নতুন বিধানসভা সমষ্টিৰ ভিত্তিত নতুন ৰেচন কাৰ্ড বিতৰণৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী আজি আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লখিমপুৰ বিধান সভা সমষ্টিৰ চকুলিভৰীয়াত ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। আনহাতে ধেমাজিত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, ডিব্ৰুগড়ত মন্ত্ৰী প্ৰশান্ত ফুকন, নলবাৰী টিহু সমষ্টিত চন্দ্ৰমোহন পাটোৱাৰী, কাছাৰৰ কাটিগড়া সমষ্টিত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আদিয়ে ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ৰাজ্যৰ ১৬ জিলাৰ মুঠ ৫ লাখ ১৯ হাজাৰ ৩৬৫ গৰাকী হিতাধিকাৰীক দ্বিতীয় পৰ্যায়ত ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব। এই নতুন হিতাধিকাৰীসকলে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ অধীনত অহা বছৰৰ জানুৱাৰীৰ পৰাই বিনামূলীয়া চাউল লাভ কৰিব।

০০০০০০

বাংলাদেশৰ সৈতে সীমা সমস্যা নিষ্পত্তি হোৱাৰ পাছত উত্তৰ-পূৰ্বাঞ্চলক বিশ্বৰ সৈতে সংযোগ কৰাৰ লক্ষ্যত অতি সোনকালে উপনীত হোৱাটো সম্ভৱ হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰিছে। কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলত শান্তি প্ৰতিষ্ঠাৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহৰ ফলত অঞ্চলটোত বিকাশৰ গতি ত্বৰান্বিত হৈছে বুলিও তেওঁ প্ৰকাশ কৰিছে। ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাত কালি অনুষ্ঠিত উত্তৰ-পূব পৰিষদৰ ৭২ সংখ্যক পূৰ্ণাংগ বৈঠকত সভাপতিত্ব কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূবৰ উন্নয়নত প্ৰভূত গুৰুত্ব আৰোপ কৰা হৈছে। বিশ্বৰ সৈতে সংযোগ স্থাপনৰ লক্ষ্য পূৰণ হ'লে উত্তৰ-পূৰ্বাঞ্চলৰ ঔদ্যোগিক পৰিস্থিতিতন্ত্ৰ শক্তিশালী হোৱাৰ লগতে এই অঞ্চলটোত বিনিয়োগ কৰা সকলৰ বাবে এখন বিশ্ব বজাৰো মুকলি হ'ব বুলি তেওঁ কয়। উত্তৰ-পূৰ্বাঞ্চল সম্প্ৰতি উন্নয়নৰ দিশেৰে গতি কৰিছে বুলি উল্লেখ কৰি শ্বাহে কয়, যে এই অঞ্চলটোৰ জনজাতীয় আৰু ভাষিক বৈচিত্ৰ্যক পূৰ্বতে দুৰ্বল হিচাপে বিবেচনা কৰা হৈছিল যদিও প্ৰধানমন্ত্ৰী মোদীয়ে অঞ্চলটোৰ উন্নয়নত গুৰুত্ব আৰোপ কৰি ইয়াক শক্তিলৈ ৰূপান্তৰ কৰিলে। কেন্দ্ৰৰ বিজেপি চৰকাৰৰ শাসনকালত ২০ খনতকৈ অধিক চুক্তি স্বাক্ষৰ হোৱাৰ লগতে সহস্ৰাধিক যুৱকক অস্ত্ৰ সম্বৰণ কৰাই মূলসুঁতিলৈ ঘূৰাই অনাৰ চৰকাৰ সফল হোৱা বুলিও তেওঁ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চল সন্দৰ্ভত দিয়া অষ্টলক্ষ্মীৰ ধাৰণাটোক সমগ্ৰ দেশ তথা বিশ্বই এতিয়া আদৰি লোৱা বুলিও শ্বাহে উল্লেখ কৰে। আনহাতে পৰিৱৰ্তিত সময়ৰ সৈতে খোজ মিলাই উত্তৰ-পূৰ্বাঞ্চলৰ আৰক্ষীয়ে কাম-কাজৰ ধৰণৰ পৰিৱৰ্তন কৰাৰো সময় সমাগত বুলি তেওঁ কয়। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যৰ জনসাধাৰণে আৰক্ষীৰ দ্বাৰা ন্যায় যাতে সহজে লাভ কৰিব পাৰে সেই বিষয়ত গুৰুত্ব আৰোপ কৰিবলৈ কালি সভাত উপস্থিত থকা ৰাজ্যপালসকলক গৃহমন্ত্ৰীয়ে আহ্বান জনায়। উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্ৰোহী সমস্যা আৰু বেছিদিন মূল ইচ্ছু হৈ নাথাকিব বুলিও শ্বাহে ভাষণ প্ৰসংগত উল্লেখ কৰে। বৈঠকত অংশগ্ৰহণ কৰি ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই গৃহমন্ত্ৰী অমিত শ্বাহে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাসমূহে অঞ্চলটোত উগ্ৰপন্থীৰ সমস্যা

হ্ৰাস কৰাত মুখ্য ভূমিকা লৈছে বুলি মত প্ৰকাশ কৰে। শ্ৰীসিন্ধিয়াই কয়, যে বিগত সময়ত অঞ্চলটোত উগ্ৰপন্থী কাৰ্যকলাপ পূৰ্বৰ তুলনাত ৭১ শতাংশলৈ হ্ৰাস পোৱাৰ লগতে এনে কাৰ্যকলাপত মৃত্যুৰ সংখ্যাও ৬০ শতাংশলৈ হ্ৰাস পাইছে।

oooooo

বিশিষ্ট সাংবাদিক তথা সাহিত্য একাডেমী বঁটাপ্ৰাপক গল্পকাৰ মনোজ কুমাৰ গোস্বামীয়ে অসমীয়া ভাষাৰ চৰ্চা আৰু সম্প্ৰসাৰণৰ বাবে অসম সাহিত্য সভাই ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে বিদ্যালয়ৰ পাঠ্যক্ৰম সংশোধন কৰাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰিছে। শিৱসাগৰৰ নিতাইপুখুৰীৰ ৰনুৱাবালিত মাহেকীয়া আলোচনী স্বদেশ পটভূমিৰ উদ্যোগত কালি আয়োজিত **মেজমেল** শীৰ্ষক এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ এইদৰে কয়। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাত মাত্ৰাধিক উল্লাসিত নহৈ নতুন প্ৰজন্মৰ মাজত ভাষাটোক জনপ্ৰিয় কৰাৰ অৰ্থে কম্পিউটাৰ-মোবাইল আদিত ইয়াৰ ব্যৱহাৰ সহজলভ্য কৰি তুলিব লাগিব বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি লেখক ময়ূৰ বৰাই ভাষাটোৰ সমৃদ্ধিৰ বাবে অসমীয়া ভাষাত শিক্ষাগ্ৰহণক লৈ এচাম লোকৰ মাজত গঢ়ি উঠা হীনমান্যতাৰ মানসিকতা দূৰ কৰিব লাগিব বুলি মন্তব্য কৰে। এই অনুষ্ঠানত চিকিৎসক ডাঃ সুৰজিৎ গিৰি, খেলুৱৈ অভিজিৎ বুঢ়াগোহাঁইকে ধৰি কেইবাগৰাকীও ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পূৰ্বে স্বদেশ পটভূমিৰ সম্পাদক তথা সাংবাদিক ৰবিন ভূঞাৰ সঞ্চালনাত এখন কবি সন্মিলনো অনুষ্ঠিত হয়।

oooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে অহা বছৰৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। অহা ২৬ ডিচেম্বৰৰ পৰা ১৩ জানুৱাৰী পৰ্যন্ত পৰীক্ষাৰ বাবে অনলাইন প্ৰ-পত্ৰ পূৰণ কৰিব পৰা যাব। প্ৰতিগৰাকী পৰীক্ষাৰ্থীয়ে আবেদনৰ লগত ২৫০ টকাকৈ মাচুল দিব লাগিব। শিক্ষা ব'ৰ্ডে লগতে প্ৰতিখন শিক্ষানুষ্ঠানৰ মুৰব্বীক তেওঁলোকৰ পৰীক্ষাৰ্থীসকলক এই বিষয়ে অৱগত কৰিবলৈ আহ্বান জনাইছে।

oooooo

৫৫ সংখ্যক জি এছ টি পৰিষদৰ বৈঠকত কৰ আৰু গাঁথনিৰ পৰিৱৰ্তনৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অধ্যক্ষতাত ৰাজস্থানৰ জেয়চেলমেৰত অনুষ্ঠিত বৈঠকখনত ক্ষুদ্ৰ কোম্পানীসমূহৰ বাবে নতুন পঞ্জীয়ন প্ৰক্ৰিয়াত অনুমোদন জনোৱা হয়। তদুপৰি ৫০ শতাংশতকৈ অধিক চাদ থকা এ চি চি ব্লকত প্ৰযোজ্য জি এছ টি ১৮ৰ পৰা ১২ শতাংশলৈ হ্ৰাস কৰা হৈছে। আনহাতে পেট্ৰ'ল-ডিজেল চালিত আৰু বৈদ্যুতিকবাহনসহ পুৰণি আৰু ব্যৱহৃত গাড়ীৰ বিক্ৰীত পূৰ্বৰ ১২ শতাংশৰ সলনি ১৮ শতাংশ জি এছ টি প্ৰযোজ্য হ'ব। অৱশ্যে বীমাৰ ক্ষেত্ৰত জি এছ টি সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ বাবে অধিক সময়ৰ প্ৰয়োজন হ'ব বুলি বৈঠকৰ অন্তত প্ৰকাশ কৰা হয়।

oooooo

কৃষি মন্ত্ৰী অতুল বৰাই কালি যোৰহাটত ২০২৪-২৫ বৰ্ষৰ কৃষক মেলাৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰদৰ্শনীদ্বাৰ মুকলি কৰে। অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কৃষক আৰু কৃষি উদ্যমীসকলৰ সৈতে মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ কৃষিখণ্ডৰ সৰ্বাংগীন উন্নয়নৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত কৃষি বিভাগে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থা সম্পৰ্কে উল্লেখ কৰে। অসমৰ কৃষিখণ্ডৰ ৰূপান্তৰৰ যাত্ৰাক এই মেলাই নতুন গতি

দিব পাৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে জিলাখনৰ নৱজাগৰণ মহিলা উৎপাদক কোম্পানীৰ **জাগৃতি** নামৰ এটা ব্ৰেণ্ড মুকলি কৰে। এই অনুষ্ঠানত কৃষিৰ লগতে ইয়াৰ সৈতে জড়িত খণ্ডসমূহলৈ অনবদ্য বহুগৰাকী কৃষকক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ বিদুৎ চন্দন ডেকা, বিধায়ক ৰূপজ্যোতি কুৰ্মীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে

০০০০০০

গণশিল্পী সূৰ্য দাসৰ বিয়োগ, টংলাত পঞ্চম আৰু ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত দুই ভাতৃক নৃশংস হত্যাকে ধৰি কেইবাটাও বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ইয়াৰে বিশিষ্ট শিল্পী সূৰ্য দাসৰ মৃত্যুৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **গীতেৰে-সুৰেৰে অসম মাতৃৰ বন্দনা কৰি গুচি গ'ল সূৰ্য দাস**, আমাৰ অসম কাকতে **মানুহৰ গান গোৱা বিদ্ৰোহী শিল্পী সূৰ্য দাসৰ বিয়োগ** আৰু দি আছাম ট্ৰিবিউন কাকতে **GANA SILPI SURJYA DAS PASSES AWAY** শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰি অন্যান্য বাতৰি কাকতসমূহেও ভিন ভিন শিৰোনামেৰে আজি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

টংলাত পঞ্চম আৰু ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত দুই কিশোৰক সতীয়া ভাতৃয়ে নৃশংসভাৱে হত্যা কৰাৰ খবৰটোকো আজি বাতৰি কাকতসমূহে গুৰুত্ব দিছে। অসমীয়া খবৰ, দৈনিক জনমভূমিকে ধৰি প্ৰায়কেইখন কাকতেই বাতৰিটো প্ৰথম পৃষ্ঠাত আগস্থান দিছে।

**অসহনীয় মূল্যবৃদ্ধিৰ গৰাহত ভাৰত** শিৰোনামেৰে ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ মূল্য সৰ্বনিম্ন হোৱা তথা বাণিজ্যিক ঘাটিৰ পৰিমাণ তিনি লাখ কোটি অতিক্ৰম কৰা আদি দিশসমূহত আলোকপাত কৰি দৈনিক অগ্ৰদূত কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মহিলা সাংসদক অপমান কৰাৰ অভিযোগেৰে সাংসদ তথা বিৰোধী দলপতি ৰাহুল গান্ধীৰ বিৰুদ্ধে বিজেপিয়ে গুৱাহাটীত প্ৰতিবাদ সাব্যস্ত কৰাৰ বাতৰিটো দৈনিক অসম, নিয়মীয়া বাৰ্তাকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আগৰতলাত গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত উত্তৰ-পূব পৰিষদৰ অধিৱেশন অনুষ্ঠিত হোৱাৰ বাতৰিটো দা ছেণ্টিনেল কাকতে **MODI GOVERNMENT IS IMPLEMENTING THE MANTRA OF ACT EAST, ACT FAST AND AT FIRST- AMIT SHAH CHAIRS 72ND PLENARY SESSION OF NEC** শিৰোনামেৰে এটা মুখ্য বাতৰিৰূপে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো আন কেইবাখনো কাকতেও ভিন্ন শিৰনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আমি পুনৰ উভতিছো যদুমণি শইকীয়াৰ ওচৰলৈ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ডিচেম্বৰত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ ১৮০০ ১১ ৭৮০০ টোল ফ্ৰী নম্বৰলৈ প্ৰেৰণ কৰিব পাৰে। নমো এপ' নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। অহা ২৭ ডিচেম্বৰ পৰ্যন্ত মতামত আৰু পৰামৰ্শসমূহ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

মালয়েছিয়াৰ কুৱালালামপুৰত আজি ১৯ বছৰ অনুৰ্ধ্বৰ মহিলা টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত বাংলাদেশৰ মুখামুখি হ'ব।

উল্লেখযোগ্য যে, গ্ৰুপ পৰ্যায়ৰ লগতে ছুপাৰ ফ'ৰৰ পইণ্ট তালিকাতো ভাৰত শীৰ্ষত আছিল। নেপালৰ বিৰুদ্ধে হ'বলগীয়া খেলখন বৰষুণৰ বাবে পৰিত্যক্ত হোৱাৰ বিপৰীতে গ্ৰুপৰ তিনিওখন খেলত দলটো জয়ী হয়। ফাইনেলত প্ৰৱেশৰ পথত ভাৰতে শ্ৰীলংকাক ৪ উইকেটত আৰু বাংলাদেশে নেপালক ৯ উইকেত পৰাস্ত কৰিছিল।

ooooo

বতৰৰ বতৰা- বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসমকে ধৰি আটাইকেইখন ৰাজ্যক পুৱাৰ ভাগত পাতলীয়া কুঁৱলীয়ে আৱৰি থাকিব। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৩ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটী আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে।

oooooo

সমাপ্ত